জাতিৰ আৱেগ সমাজৰ বিৱেক

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

বিংশতিতম বছৰ, সংখ্যা ২২৬ ● শুকুৰবাৰ ● ১৩ বহাগ ১৯৪৬ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Friday April 26, 2024 ● ১৪ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটীৰ পৰা

## ...াবে সম্পূৰ্ণ ...লা প্ৰশাসন



...ঃ দ্বিতীয় পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত ... সমষ্টিৰ অন্তৰ্গত দৰং জিলাৰ ...প সাজু হৈছে দৰং জিলা প্ৰশাসন। ...নৰ মুঠ ৮৩৫ টা ভোটগ্ৰহণ কেন্দ্ৰৰ ...টগ্ৰহণ কেন্দ্ৰত প্ৰিজাইডিং-প'লিং ...হছেগৈ। আজি অৱশিষ্ট ৭৯২টা ...ৰীসকল ইভিএম আৰু নিৰ্বাচনৰ ...খনত সুকলমে আৰু শান্তিপূৰ্ণভাৱে ... নিয়োজিত প্ৰিজাইডিং বিষয়াৰ ...য়াৰ সংখ্যা হৈছে ২৫০৫ গৰাকী। ...ৰী ৰিজাৰ্ভ হিচাপে ৰখা হৈছে। ...মষ্টিৰ মুঠ ৩১টা ভোটগ্ৰহণ কেন্দ্ৰ ... আৰু তিনিটা সমষ্টিৰ প্ৰতিটোতে ...ণকাৰীৰ দ্বাৰা পৰিচালিত কৰি ...ধানসভা সমষ্টিত দুটাকৈ মুঠ ৬টা ...ভাটাৰকে শান্তিপূৰ্ণভাৱে ভোটদান ...ইছে।

### ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়ত বক্তৃতা প্ৰদান কৰি ময়ূৰ বৰা

## অসমৰ ছাত্ৰ-ছাত্ৰীৰ বিপুল সম্ভাৱনা আছে

ডিব্ৰুগড় ঃ ষ্টাফ ৰিপৰ্টাৰ, ২৫ এপ্ৰিল ঃ অসমৰ ছাত্ৰ-ছাত্ৰীসকলৰ সম্ভাৱনা বিপুল হোৱা সত্ত্বেও মূলতঃ প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে কলেজীয়া জীৱনৰ পৰাই সাজু নোহোৱাৰ বাবে তেওঁলোকৰ সৰহ সংখ্যকে আশাব্যঞ্জক সফলতা লাভ নকৰে। অসমৰ বিশিষ্ট চিন্তাবিদ, সাহিত্যিক, সমালোচক ময়ূৰ বৰাই আজি এইদৰে কয়। ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত মহাবিদ্যালয়খনৰ শিক্ষাতত্ত্ব, সমাজতত্ত্ব আৰু মনোবিজ্ঞান বিভাগৰ যৌথ উদ্যোগত অনুষ্ঠিত হোৱা 'প্ৰতিযোগিতামূলক পৰীক্ষা, নৱ প্ৰজন্ম আৰু অসমৰ ভৱিষ্যৎ' শীৰ্ষক এক বক্তৃতা প্ৰদান কৰি তেওঁ কয় যে অসমৰ নৱপ্ৰজন্মই প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হ'ব পৰাকৈ সম্পূৰ্ণ প্ৰতিভা থাকিলেও নৱ প্ৰজন্মই তেনে পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ ইচ্ছা প্ৰকাশ নকৰে। নৱ প্ৰজন্মক তেওঁ কেনেদৰে প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হ'ব, কি কি কাকত-আলোচনী পঢ়া উচিত সেই বিষয়ে সুন্দৰ বিশ্লেষণ আগবঢ়ায়। বিশিষ্ট চিন্তাবিদগৰাকীয়ে ছাত্ৰ-ছাত্ৰীসকলক অনুপ্ৰেৰণা যোগোৱাৰ লগতে তেওঁলোকৰ বিভিন্ন প্ৰশ্নৰো উত্তৰ দিয়ে। চিন্তাবিদগৰাকীক গ্ৰন্থ, চেলেংচাদৰ, গামোচা, মানপত্ৰ, স্মৃতি সংৰক্ষণৰ ফটো উপহাৰ দিয়াৰ পাছত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই আদৰণী ভাষণ দি কয় যে সাম্প্ৰতিক অসমৰ আটাইতকৈ অধ্যয়নশীল তথা মুক্তভাৱে মত প্ৰকাশ কৰা চিন্তাবিদসকলৰ ভিতৰত অগ্ৰণী শ্ৰীযুত ময়ূৰ বৰাই নিজৰ বিদ্যায়তনিক তথা কৰ্মজীৱনত ঈৰ্ষণীয় সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছে। এনে এজন ব্যক্তিক ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যৎ নিৰ্মাণৰ দিশত সহযোগিতা আগবঢ়াবলৈ আমন্ত্ৰণ জনাবলৈ পাই তেওঁ সন্তুষ্টি ব্যক্ত কৰে। অনুষ্ঠানত মুম্বাইস্থিত অসম ভৱনৰ আৱাসিক অভিযন্তা, বিশিষ্ট সমাজকৰ্মী, মহাবিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ ত্ৰিনয়ন সন্দিকৈয়েও



শিক্ষাৰ্থীসকলক উদ্দেশ্যি বক্তব্য আগবঢ়ায়। আৰম্ভণিতে জয়শ্ৰী গগৈয়ে এটি প্ৰাৰ্থনা আৰু কল্পজ্যোতি নেওগে এটি বৰগীত পৰিৱেশন কৰে। মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° প্ৰিয় দেৱ গোস্বামী, শৈক্ষিক সমন্বয়ক ড° মৃদুল শৰ্মা, মনোবিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা উপাসনা দত্ত, সমাজতত্ত্ব বিভাগৰ মুৰব্বী অধ্যাপিকা ৰিজুমণি সোণোৱাল আৰু বিভিন্ন বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে দ্বি-শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থকা অনুষ্ঠানটোত বিশিষ্ট চিন্তাবিদগৰাকীক মুখ্য দ্বাৰত আৰতি, পুষ্পবৃষ্টিৰে আদৰণি জনোৱাৰ পাছত গায়ন-বায়ন আৰু এন চি চিয়ে সভাকক্ষলৈ আদৰি আনে। সমাজতত্ত্ব বিভাগৰ অধ্যাপিকা কৰিশ্মা জে কে বৈষ্ণৱীয়ে আঁত ধৰা অনুষ্ঠানৰ শেষত শলাগ জ্ঞাপন কৰে অধ্যাপিকা কস্তুৰী ফুকনে।

...পাটাছাৰকুছি অঞ্চলক জনমানসত অধিক উদ্ভাসিত কৰাৰ উদ্দেশ্যেৰে পাটাছাৰকুছিৰ নিৰ্মল হালৈ মহাবিদ্যালয়ৰ কেন্দ্ৰীয় গ্ৰন্থাগাৰত 'আমাৰ পাটাছাৰকুছি' শীৰ্ষক বৃহত্তৰ পাটাছাৰকুছি অঞ্চলৰ পৰা প্ৰকাশিত বিশেষ গ্ৰন্থ সংগ্ৰহ কেন্দ্ৰ এটা স্থাপনৰ ব্যৱস্থা কৰিছে। 'আমাৰ পাটাছাৰকুছি' শীৰ্ষক গ্ৰন্থ সংগ্ৰহ...

### লখিমপুৰত ... প্ৰশিক্ষণ

## কৃষকৰ স্বাৱল... তৈল পাম ...

লখিমপুৰ ঃ ষ্টাফ ৰিপৰ্টাৰ, ২৫ এপ্ৰিল ঃ ৰাষ্ট্ৰীয় ভোজ্য তেল-তৈল খাদ অভিযানৰ অধীনত তৈল পাম খেতি সন্দৰ্ভত বুধবাৰে লখিমপুৰ জিলাৰ কৃষি বিভাগৰ বিষয়াসকল আৰু আগ্ৰহী কৃষকসকলক লৈ দুদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচীৰ আয়োজন কৰা হয়। কৃষি সঞ্চালকালয় আৰু লুইত এডুকেশ্যনেল ছাৰ্ভিচ প্ৰাইভেট লিমিটেডে আয়োজন কৰা এই প্ৰশিক্ষণ কাৰ্যসূচীত সমল ব্যক্তি...